কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

*Ref. No.:KKHSOU/COE/Exam/OBE Notification/2020/028* *Date: 31/5/2021*

**OBE সম্পৰ্কত সঘনাই সোধা প্ৰশ্নসমূহ (FAQs)**

প্ৰশ্ন 1 : Open Book Examination (OBE) কি?

উত্তৰ : ক'ভিদ অতিমাৰীৰ মাজতো শিক্ষাৰ্থী সকলে নিৰাপদে ঘৰতে থাকি যাতে পৰীক্ষাত বহিব পাৰে, তাৰ বাবে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা এক বিশেষ ব্যৱস্থা হ'ল Open Book Examination (OBE) । এই ব্যৱস্থাত বিশ্ববিদ্যালয়ৰ ৱেবছাইট যোগে শিক্ষাৰ্থী সকলে প্ৰশ্ন কাকত সমূহ লাভ কৰিব। তেওঁলোকে এক নিৰ্দিষ্ট ফৰ্মেটত উত্তৰ সমূহ লিখিব লাগিব আৰু সেই সমূহৰ স্কেন কপি pdf কৰি নিৰ্দিষ্ট সময়ৰ ভিতৰত অনলাইন যোগে প্ৰেৰণ কৰিব লাগিব।

প্ৰশ্ন 1 B : Special Open Book Examination (SOBE) কি?

উত্তৰ : আমি জানো যে স্নাতক পৰ্য্যায়ৰ (পুৰণা পাঠ্যক্ৰমৰ) দ্বিতীয় , চতুৰ্থ আৰু ষষ্ঠ ষান্মাসিকৰ লগতে স্নাতক পৰ্য্যায়ৰ (নতুন পাঠ্যক্ৰমৰ) ষষ্ঠ ষান্মাসিকৰ নিয়মীয়া পৰীক্ষা সমূহ অনলাইন যোগে অনুষ্ঠিত হোৱাৰ লগতে সেই সমূহৰ ফলাফলো ইতিমধ্যে ঘোষণা কৰা হৈছে । পৰীক্ষাৰ শেষত দেখা গ'ল যে কিছুমান শিক্ষাৰ্থীয়ে পৰীক্ষাৰ প্ৰপত্ৰ সময় মতে ভৰ্ত্তি কৰিলেও কাৰিকৰী কাৰণত এই পৰীক্ষাত বহিব নোৱাৰিলে । সেয়েহে তেওঁলোকৰ বাবে এই Special Open Book Examination (SOBE) অনুষ্ঠিত কৰা হৈছে ।

একেদৰেই নতুন পাঠ্যক্ৰমৰ স্নাতকৰ দ্বিতীয় আৰু চতুৰ্থ ষান্মাসিক পৰীক্ষাত যিসকল শিক্ষাৰ্থীয়ে নূন্যতম পাছ মাৰ্ক নাপালে, তেওঁলোকে পূৰ্বৰ ষান্মাসিকত উত্তীৰ্ণ হবলৈ এই SOBE ত বহিব পাৰিব।

দেখা গৈছে যে ৰাজ্যখনৰ বৰ্তমান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বহু শিক্ষাৰ্থীয়ে ইতিমধ্যে অনুষ্ঠিত হৈ যোৱা স্নাতক পৰ্যায়ৰ তৃতীয় আৰু পঞ্চম ষান্মাসিক অফলাইন পৰীক্ষাত বহিব পৰা নাই। তেওঁলোকেও নিজৰ নিজৰ পৰীক্ষা দিবলৈ ৰৈ যোৱা বিষয়সমূহত এই SOBE যোগে অৱতীৰ্ণ হোৱাৰ সুযোগ পাব।

প্ৰশ্ন 2 : OBE ত বহাৰ সুযোগ কোনে কোনে পাব?

উত্তৰ : সংশ্লিষ্ট পৰীক্ষাৰ বাবে যিসকলে এডমিত কাৰ্ড লাভ কৰিছে তেওঁলোকেহে এনে পৰীক্ষাত বহিব পাৰিব। পৰীক্ষা দিয়াৰ বাবে যোগ্য বুলি বিবেচিত শিক্ষাৰ্থীৰ তালিকা ৱেৱচাইটত আগতীয়াকৈ আপলোড কৰা হ'ব। যিবোৰ পৰীক্ষা অফলাইন যোগে পাতিব পৰা নহ'ল বা ইতিমধ্যে অনুষ্ঠিত হোৱা অনলাইন পৰীক্ষাত কাৰিকৰী কাৰণত যিসকল শিক্ষাৰ্থীয়ে বহিব নোৱাৰিলে, তেনেবোৰ পৰীক্ষা হে OBE ব্যৱস্থাই সাঙুৰি লৈছে।

প্ৰশ্ন 3 : KKHSOU ৰ OBE ত কেনেদৰে বহিব?

উত্তৰ : যিকোনো উপযুক্ত পৰীক্ষাৰ্থী, যিসকলৰ যথোপযুক্ত এডমিত কাৰ্ড আছে তেওঁলোকে এই বিশ্ববিদ্যালয়ৰ OBE ত বহিব পাৰিব। শিক্ষাৰ্থী সকলে ইয়াৰ বাবে

বিশ্ববিদ্যালয়ৰ ৱেবছাইটত ( www.kkhsou.in) যাব লাগিব। ৱেবছাইটত থকা পৰ্টেলৰ পৰা প্ৰশ্নকাকত ডাউনলোড কৰিবলৈ তেওঁলোকে নিজৰ Enrollment No. টো দাখিল কৰিলে হ'ল। এই পৰীক্ষাৰ বিষয়ে বিতং কৈ পৰীক্ষা নিয়ন্ত্ৰকৰ ফালৰ পৰা শিক্ষাৰ্থী সকলক সকলো কথা জনোৱা হব। এই পৰীক্ষাত বহিবৰ বাবে বিশ্ববিদ্যালয়ৰ ফালৰ পৰা প্ৰস্তুত কৰা **OBE Instruction Sheet** ত সন্নিবিষ্ট কৰা নিৰ্দেশনা সমূহ শিক্ষাৰ্থী সকলে সম্পূৰ্ণ কৈ অনুসৰণ কৰিব লাগিব।

প্ৰশ্ন 4: OBE Instruction Sheet ৱেবছাইটত কেতিয়া পোৱা যাব?

উত্তৰ : অতি সোনকালে এই Instruction Sheet আপলোড কৰা হব। এয়া সামাজিক মাধ্যম যোগেও শিক্ষাৰ্থী সকলৰ বাবে উপলব্ধ হব। ইয়াতেই OBE ব্যৱস্থাৰ বিষয়ে বিতং কৈ উল্লেখ থাকিব।

প্ৰশ্ন 5 : যদিহে মই পৰ্টেলত সোমাব নোৱাৰো বা অন্তৰ্ভুক্তিৰ বাবে উপযুক্ত বুলি বিবেচিত নহওঁ ?

উত্তৰ: যথোপযুক্ত এডমিত কাৰ্ড নহলে কোনো শিক্ষাৰ্থীয়ে পৰ্টেলত সোমাব নোৱাৰিব। যদিহে শিক্ষাৰ্থী সকলে কিবা কাৰণত পৰ্টেলত সোমাব নোৱাৰে, তেনেহলে নিৰ্দিষ্ট সময়ৰ ভিতৰত দাখিল কৰা পৰীক্ষা মাচুলৰ ৰচিদ দাখিল কৰি এডমিত কাৰ্ড বিচাৰি dre@kkhsou.in বা Instruction Sheet ত উল্লেখ কৰা মেইল লৈ প্ৰেৰণ কৰিব। পূৰ্বতে নিৰ্দিষ্ট কৰি দিয়া দিনটোৰ পাছত দাখিল কৰা পৰীক্ষা মাচুলৰ কোনো ৰচিদ গ্ৰহণ কৰা নহব।

এডমিত কাৰ্ড পালেই , শিক্ষাৰ্থী সকলে এই পৰ্টেলত প্ৰবেশ কৰি OBE পৰীক্ষাত বহিব পাৰিব।

প্ৰশ্ন 6 : OBE পৰীক্ষা কেতিয়া হ'ব?

উত্তৰ: পৰীক্ষাৰ সময়সূচী জুনৰ 8 (4th June) তাৰিখে ৱেৱচাইটত উপলব্ধ হ'ব।

প্ৰশ্ন 7 : উত্তৰ বহী সমূহ শিক্ষাৰ্থী সকলে কি ধৰণে দাখিল কৰিব ?

উত্তৰ: PDF হিচাপে উত্তৰ বহী সমূহ অনলাইন মাধ্যমেৰে দাখিল কৰিব লাগিব। ইয়াৰ বাবে পৰীক্ষা নিয়ন্ত্ৰকে প্ৰস্তুত কৰা OBE Instruction Sheet ত বিতং কৈ নিৰ্দেশ লিখা থাকিব।

প্ৰশ্ন 8 : উত্তৰ বহী সমূহ দাখিল কৰা হ'ল বুলি পৰীক্ষাৰ্থী সকল কিদৰে নিশ্চিত হব?

উত্তৰ : এই ক্ষেত্ৰত এখন প্ৰাপ্তি ৰচিদ শিক্ষাৰ্থী সকলে লাভ কৰিব। এই ৰচিদ খন ছপা বা সংৰক্ষণ (save) কৰিব পৰা যাব।

প্ৰশ্ন 9 : উত্তৰ বহী সমূহ পোনপটীয়াকৈ অৰ্থাৎ হাৰ্ড কপি হিচাপে দাখিল কৰাৰ কিবা ব্যৱস্থা আছেনে ?

উত্তৰ: নাই।

প্ৰশ্ন 10 : প্ৰয়োজন হলে শিক্ষাৰ্থী সকলে পৰীক্ষা নিয়ন্ত্ৰকৰ কাৰ্যালয়ৰ বিষয় ববীয়াৰ সৈতে কিদৰে যোগাযোগ কৰিব?

উত্তৰ : সাধাৰণতে OBE প্ৰসংগত শিক্ষাৰ্থী সকলে পৰীক্ষা নিয়ন্ত্ৰকৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰাৰ কোনো প্ৰয়োজন নেথাকে বা সেইয়া বাঞ্ছিত নহয় । তেওঁলোকে এডমিত কাৰ্ড/ বিষয় সলনি সম্পৰ্কত dre@kkhsou.in ত তথা পৰীক্ষাৰ ফলাফল, মাৰ্ক শ্বিট আৰু certificate প্ৰসংগত কিবা প্ৰশ্ন থাকিলে km@kkhsou.in অত মেইল কৰিব পাৰিব।

বিশ্ববিদ্যালয়ৰ ৱেবছাইটত এখন **OBE Instruction Sheet (OIS)** আপলোড কৰা হব । এই নথিৰ নিৰ্দেশনা সমূহ শিক্ষাৰ্থী সকলে কঠোৰ ভাবে পালন কৰিব লাগিব।

প্ৰশ্ন 11 : যদি হে এডমিত কাৰ্ডত শিক্ষাৰ্থী এগৰাকীৰ বিষয় সমূহ শুদ্ধ কৈ নেথাকে বা তেওঁ নিৰ্দিষ্ট প্ৰশ্ন কাকত সমূহ ডাউনলোড কৰিব নোৱাৰে , তেতিয়া কি হব?

উত্তৰ : ৱেবছাইটত যেতিয়া এডমিত কাৰ্ড আপলোড কৰা যাব, তেতিয়া বিষয় সমূহৰ নাম নিজে নিজে ওলাই আহিব।

যদি হে শিক্ষাৰ্থী জনে কিবা বিসংগতি দেখে , তেনেহলে এই বিসংগতি আঙুলিয়াই দি আৰু তাৰ শুধৰণি বিচাৰি **dre@kkhsou.in** ত তেওঁ মেইল কৰিব লাগিব। যদিহে সেই অনুৰোধ উপযুক্ত বুলি বিবেচিত হয়, তেনেহলে ২৪ ঘন্টাৰ ভিতৰত এই শুধৰণি কৰি দিয়া হব। লগতে শুদ্ধ এডমিত কাৰ্ড খন বিশ্ববিদ্যালয়ৰ ৱেবছাইটত আপলোড কৰা হব।

প্রশ্ন 12: OBE পৰীক্ষাৰ আগতে অনুশীলনমূলক (Mock Test) পৰীক্ষা অনুষ্ঠিত হ'ব নেকি?

উত্তৰ : শিক্ষাৰ্থী সকলে OBE পৰীক্ষাৰ লগত নিজকে অভ্যস্ত কৰিবৰ বাবে এটা অনুশীলনমূলক পৰীক্ষা (Mock Test) অনুষ্ঠিত কৰা হ'ব আৰু তাৰ বাবে **উপযুক্ত জাননী** জুনৰ ৩ (3rd June) তাৰিখে বিশ্ববিদ্যালয়ৰ 'ৱেৱচাইট'ত উপলব্ধ হ'ব।

প্রশ্ন 13: OBE ৰ উত্তৰ বহীসমূহ কেনেদৰে Scan আৰু Pdf কৰিব পাৰিব?

উত্তৰ : শিক্ষাৰ্থীসকলে নিজৰ Mobile Phone ত Scan কৰাৰ যিকোনো কাৰ্য্যক্ষম App Google Play Storeৰ পৰা ডাউনল'ড কৰি উত্তৰ বহীসমূহ Scan কৰি Pdf হিচাপে Save কৰিব পাৰিব। ইয়াৰ বিষয়ে বিস্তৃত নিৰ্দেশ Instruction Sheetত পোৱা যাব।

প্রশ্ন 14: OBE ফলাফল সমূহ কিদৰে লাভ কৰা যাব?

উত্তৰ : বিশ্ববিদ্যালয়ৰ অন্যান্য পৰীক্ষাৰ দৰেই ইয়াৰ ৱেবছাইটত OBE ৰ ফলাফল সুন্দৰকৈ পোৱা যাব।

*****